# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2024 **Time :** 1800 Hrs

## *Assamese Evening Bulletin*
## HEADLINES

গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কালি সন্ধিয়াৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানে জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। মহানগৰীখনৰ জু-ৰোড, ৰুক্মিণীগাঁও, পাঞ্জাবাৰী, কাহিলীপাৰা, নুনমাটি, হাতীগাঁও, বেলতলা পথ, যোৰাবাটকে ধৰি কেইবাটাও মূল পথত পানী জমা হোৱাৰ ফলত জনসাধাৰণৰ আহ-যাহত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। ফলত কোনো কোনো ঠাইত জনসাধাৰণ নিজ গৃহত আবদ্ধ হৈ থাকিবলগীয়া হৈছে। মহানগৰীৰ বিভিন্ন স্থানত পথচাৰীৰ লগতে বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ীসকল অধিক সমস্যাৰ সন্মুখীন হৈছে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে গুৱাহাটীৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি জটিল কৰি তুলিছে। বতৰ বিজ্ঞান কেন্দ্ৰ জনোৱা আগজাননী অনুসৰি মহানগৰীখনত আৰু অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে মহানগৰীখনত বৰষুণ আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও অঞ্চলত যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ জাৰি কৰছিে। এই অনুসৰি বশিষ্ঠ থানাৰ অন্তৰ্গত বালুঘাট, হাতীগাঁও থানাৰ অন্তৰ্গত লিটিল ফ্লাৱাৰ স্কুল আৰু সিজুবাৰী অঞ্চল, ছাৰ্ভে ৱায়ৰলেছ অঞ্চল, ৰুক্মিণীগাঁও আৰু ৰাজগড় পথেৰে যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০

যোৰহাট জিলাত ফটোযুক্ত ভোটদাতাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী সন্দৰ্ভত বুথ পৰ্যায়ৰ বিষয়া আৰু পৰ্যবেক্ষকসকলৰ বাবে আজি তিতাবৰৰ দেৱ কুমাৰ বৰা প্ৰেক্ষাগৃহত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। তিতাবৰ আৰু মৰিয়নী বিধান সভা সমষ্টিৰ বিষয়াসকলৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্য প্ৰশিক্ষকে ভোটদাতাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী কাৰ্যকলাপৰ সময়ত কোনো ভোটদাতাই যাতে তালিকাৰ পৰা বাদ নপৰে এই সন্দৰ্ভত নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা মূল বিষয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াক ভোটদাতাৰ তালিকা অধিক নিৰ্ভুল আৰু ত্ৰুটিমুক্ত কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে।

০০০০০০০০০

ৰাজ্যত অহা ৩ ছেপ্তেম্বৰত হ'বলগীয়া অভিৰুচী ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি আজি শিৱসাগৰত ৰংপুৰ জল ক্ৰীড়া সন্থাই উজনি অসম-ভিত্তিক এখন সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন কৰে। প্ৰতিযোগিতাত নামৰূপ, তিনিচুকীয়া, দুলীয়াজান, মৰাণ, সাপেখাটী, সোণাৰি, শিৱসাগৰকে ধৰি উজনি অসমৰ ১০টা সাঁতোৰ সন্থাৰ সৰ্বমুঠ ১৯২গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দুগৰাকী আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ আৰু কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ তথা ক্ৰীড়া সংগঠকক সম্বৰ্দ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰাৰ জন্মদিনটো যোৱা ১৫ বছৰ ধৰি অভিৰুচী ক্ৰীড়া দিৱস হিচাপে উদযাপন কৰি অহা হৈছে।

০০০০০

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ডাঃ শ্যামল প্ৰসাদ শইকীয়াই আজি যোৰহাটৰ শিশু পৰ্যবেক্ষণ গৃহ পৰিদৰ্শন কৰাৰ লগতে শিশু কয়দীসকলৰ থকা-খোৱা ব্যৱস্থাৰ বুজ লয়। এই পৰ্যবেক্ষণ বিভাগ ১৪টি শিশু কয়দী এইছ আই ভি পজিটিভ হোৱা বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে শিশুকেইটিৰ চিকিৎসা আৰু স্বাস্থ্যৰ যতনত গুৰুত্ব আৰোপ কৰে। পৰিদৰ্শন কালত অধ্যক্ষগৰাকীয়ে জিলা অতিৰিক্ত আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ লগতে কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০

শিৱসাগৰত আজি ৩০ টা দল সংগঠনে উমৈহতীয়াভাৱে এখন সংবাদমেলৰ আয়োজন কৰি অসমত খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ উদ্দেশ্যে অক্টোবৰ মাহৰ শেষৰ ফালে বিশাল গণসমাবেশৰ আয়োজন কৰাা হব বুলি প্ৰকাশ কৰিছে। তেওঁলোকে সমগ্ৰ অসমৰ খিলঞ্জীয়া ৰাইজৰ অধিকাৰ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত গণ আন্দোলনৰ পৰিকল্পনা কৰিছে বুলি জানিবলৈ দিয়ে। খিলঞ্জীয়াৰ স্বাৰ্থ সংকটত পেলাব পৰা কোনো ৰাজনৈতিক ষড়যন্ত্ৰ তথা ধৰ্মীয় মেৰুকৰণ কোনো কাৰণতে সহ্য কৰা নহব বুলি সংগঠনকেইটাই ঘোষণা কৰিছে।

০০০০০০০০

তিনিচুকীয়া আৰক্ষী থানাৰ উদ্যোগত তিনিচুকীয়া কমাৰ্চ কলেজত আজি নাৰী সুৰক্ষা সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত সাম্প্ৰতিক পৰিস্থিতিত নাৰীৰ নিৰাপত্তা তথা সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰি দিহা পৰামৰ্শ আগবঢ়োৱা হয়। অনুষ্ঠানত চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া কমাৰ্জ কলেজৰ অধ্যক্ষ চৈতন্য বৰা, তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰাগজ্যোাতি বুঢ়াগোহাইকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

নগাঁও জিলাৰ বিভিন্ন অঞ্চলত আজি মীন বিভাগে অভিযান চলাই বিভিন্ন মীন পালন প্ৰকল্প পৰিদৰ্শন কৰে। জিলা মীন বিভাগে জুৰীয়া, দ' গাঁও, গদাইমাৰী, মেলেকা ধিং আদি অঞ্চলৰ পুখুৰীসমূহৰ পানীৰ নমুনা সংগ্ৰহ কৰে। মীন বিষয়াসকলে প্ৰকাশ কৰা মতে অঞ্চলটোৰ মাছৰ পুখুৰীসমূহৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত আজি পানীৰ নমুনা পৰীক্ষা কৰা হয়। বিষয়াসকলে জনোৱা অনুসৰি এই পুখুৰীসমূহত ইউৰিয়া সাৰৰ উপস্থিতি পোৱা হোৱা নাই। অৱশ্যে সংগ্ৰহ কৰা পানীৰ নমুনা পৰীক্ষাৰ পাছতহে প্ৰকৃত তথ্য পোহৰলৈ আহিব বুলি তেওঁলোকে প্ৰকাশ কৰে।

oooooooo

সমাপ্ত